**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-11-2024
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***
-----------------------

১। ঝাৰখণ্ড আৰু মহাৰাষ্ট্ৰৰ বিধানসভাৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিজেপিয়ে মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ বাবে দলীয় ইস্তাহাৰ প্ৰকাশ কৰিছে।

২। অসমতো পাঁচটা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ তুংগত উঠিছে।

৩। জম্মু-কাশ্মীৰৰ শ্ৰীনগৰ জিলাৰ জবৰৱান বনাঞ্চল আৰু বাৰামুলা জিলাৰ ছ'প'ৰত সন্ত্ৰাসবাদ বিৰোধী অভিযান চলি আছে।

৪। ভাৰতৰ অনাহত সিঙে অষ্ট্ৰেলিয়াৰ ছিডনীত অনুষ্ঠিত নিউ ছাউথ ৱেল্‌ছ অ'পেন স্কোৱাছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ খিতাপ অৰ্জন কৰিছে।

*আৰু*

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি এবেখাত অনুষ্ঠিত হ'ব।

oooooo

ঝাৰখণ্ড বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত সকলো ৰাজনৈতিক দলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যখনৰ দুখন নিৰ্বাচনী সভা সম্বোধন কৰিব আৰু এটা ৰোড শ্ব'ত ভাগ ল'ব। আনহাতে, ঝাৰখণ্ড মুক্তি মৰ্চাৰ জ্যেষ্ঠ নেতা হেমন্ত চোৰেণে তামাৰ, খিজ্‌ৰি আৰু ভৰনাথপুৰত কেইবাখনো নিৰ্বাচনী সভা সম্বোধন কৰিব। আনহাতে আৰ জে ডিৰ জ্যেষ্ঠ নেতা তেজস্বী যাদৱে চতৰাৰ হাণ্টাৰগঞ্জত দলৰ হকে প্ৰচাৰ চলাব। মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী মোহন যাদৱেও আজি দেওঘৰ, সাৰথ আৰু পোৰেয়াহাটত তিনিখন নিৰ্বাচনী সভাত অংশ ল'ব। একেদৰে বিজেপিৰ ঝাৰখণ্ড নিৰ্বাচনৰ সহপ্ৰভাৰী তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ছত্ৰা আৰু লাটেহাৰত দলৰ হৈ প্ৰচাৰ চলাব।

আৰ জে ডি, এ জে এছ ইউ আৰু বাও দলৰ নেতাসকলেও আজি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত দলৰ হৈ প্ৰচাৰ চলাব। ৮১ জনীয়া ঝাৰখণ্ড বিধানসভাৰ বাবে ১৩ আৰু ২০ নৱেম্বৰত দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ২৩ নৱেম্বৰত ভোট গণনা কৰা হ'ব।

ইপিনে, বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি মুম্বাইত দলৰ আগশাৰীৰ নেতাসকলৰ উপস্থিতিত মহাৰাষ্ট্ৰৰ আসন্ন বিধানসভা নিৰ্বাচনৰ বাবে দলীয় ইস্তাহাৰ সংকল্প-পত্ৰ প্ৰকাশ কৰে। ইস্তাহাৰ প্ৰকাশ কৰি

শ্ৰীশ্বাহে কয় যে বিজেপিৰ সংকল্পপত্ৰত ৰাজ্যখনৰ জনসাধাৰণৰ আশা আকাংক্ষা প্ৰতিফলিত হৈছে। সংকল্পপত্ৰত বিজেপিয়ে খৰাং অৱস্থামুক্ত মহাৰাষ্ট্ৰৰ বাবে জলসিঞ্চন প্ৰকল্প, নৈৰ গতিপথৰ পৰিৱৰ্তন ঘটোৱা আৰু বাৰিষাৰ অতিৰিক্ত পানী প্ৰয়োজনীয় স্থানলৈ বোৱাই নিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। দলটোৱে লগতে পৰৱৰ্তী ৫ বছৰত ১ কোটি কৰ্মসংস্থাপন সৃষ্টি, মহিলা সবলীকৰণ, বহনক্ষম গৃহ নিৰ্মাণ, কৃষিৰ বাবে সৌৰ শক্তিৰ ব্যৱহাৰ আৰু বিশুদ্ধ খোৱাপানীৰ প্ৰতিশ্ৰুতি দিছে। ইস্তাহাৰ উন্মোচনৰ অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেল, মহাৰাষ্ট্ৰ উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছ, মহাৰাষ্ট্ৰ বিজেপিৰ চন্দ্ৰশেখৰ বাৱানকুলে আৰু আন ভালেসংখ্যক নেতা উপস্থিত থাকে।

ৰাজ্যখনত বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ ক্ৰমাৎ তুংগত হৈ উঠিছে। বিভিন্ন দলৰ আগশাৰীৰ নেতাসকলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলাই আছে।

oooooo

ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰাৰ্থীৰ হৈ ভোটদাতাৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে।। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দিগন্ত ঘাটোৱালৰ হৈ বিহালী সমষ্টিত প্ৰচাৰ চলায়।

কংগ্ৰেছ দলৰ সাংসদ তথা বিৰোধীৰ উপ-দলপতি গৌৰৱ গগৈয়ে বিহালীত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। সাংসদ ৰকিবুল হুছেইনে বিহালীত, চামগুৰিত কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই দলীয় প্ৰাৰ্থীৰ হৈ কালি প্ৰচাৰ চলায়। ইফালে, চামগুৰিত নিৰ্বাচনী প্ৰচাৰৰ সময়ত ৰাজনৈতিক হিংসাৰ সৃষ্টি হৈছে। কালি সমষ্টিটোত কংগ্ৰেছ আৰু বিজেপিৰ মাজত মাৰপিটৰ ঘটনা সংঘটিত হয়। এই ঘটনাত কংগ্ৰেছৰ তিনিজন আৰু বিজেপিৰ দুজন লোক আহত হয়।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চামগুৰিত একাংশ কংগ্ৰেছ সমৰ্থকে বিধায়ক জিতু গোস্বামীক আক্ৰমণ কৰা ঘটনাক গৰিহণা দিছে। এই ঘটনাই দলটোৰ নিৰাশাকে প্ৰতিফলিত কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে, ৩৪ গৰাকী প্ৰাৰ্থীয়ে এই উপ-নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়াইছে। উপ-নিৰ্বাচন হ'বলগীয়া ধলাই সমষ্টিত ৮ গৰাকী প্ৰাৰ্থীয়ে, চামগুৰি সমষ্টিত ১১ গৰাকী আৰু ছিদলী সমষ্টিত ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বিহালী সমষ্টিত ৪ গৰাকী আৰু বঙাইগাঁৱৰ আসনখনৰ বাবে ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

oooooo

সমগ্ৰ বিশ্বত সংক্ৰামক ৰোগৰ প্ৰতিৰোধ আৰু জনস্বাস্থ্য সুৰক্ষিত কৰাৰ ক্ষেত্ৰত প্ৰতিষেধকৰ ভূমিকাৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে আজি বিশ্ব টীকাকৰণ দিৱস পালন কৰা হৈছে। এই দিনটোত প্ৰতিগৰাকী ব্যক্তিয়ে সহজে জীৱন ৰক্ষাকাৰী প্ৰতিষেধক লাভ কৰাৰ বাবে অবিৰত প্ৰচেষ্টাৰ আৱশ্যকতাত আলোকপাত কৰা হয়। এনে ধৰণৰ টীকাকৰণৰ জৰিয়তে পলিঅ', প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুকে ধৰি ভালেমান ঘাটক ৰোগ নিৰ্মূল কৰাৰ ক্ষেত্ৰত ভাৰতে উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে। ২০২৩-২৪ বিত্তীয় বৰ্ষত দেশৰ নিৰ্ধাৰিত টীকাকৰণ লক্ষ্যৰ ৯৩ দশমিক ২-৩ শতাংশক সামৰি লোৱা হৈছে। সাৰ্বজনীন টীকাকৰণ আঁচনিৰ জৰিয়তে

পলিঅ', বসন্ত, হেপাটাইটিছ্-বি কে ধৰি ১২ বিধ ৰোগৰ বাবে বিনামূলীয়া প্ৰতিষেধক প্ৰদান কৰা হয়। ইউ-উইন প'ৰ্টেলৰ জৰিয়তে হিন্দীকে ধৰি ১১টা আঞ্চলিক ভাষাত এতিয়া গৰ্ভৱতী মহিলা আৰু ১৭ বছৰ বয়সলৈকে শিশু আৰু কিশোৰক প্ৰতিষেধক প্ৰদানৰ ডিজিটেল তথ্য অন্তৰ্ভুক্ত কৰা হৈছে। চলিত বৰ্ষৰ ছেপ্তেম্বৰত এই মঞ্চত ৬ কোটি ৪৬ লাখ হিতাধিকাৰীৰ পঞ্জীয়ন হৈছে আৰু ইয়াৰ এক কোটি ৪ লাখ প্ৰতিষেধক প্ৰদানৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে আৰু ২৩ কোটি ৬ হেজাৰ পালি প্ৰতিষেধক প্ৰদান তথ্য লাভ কৰা হৈছে।

ভাৰতে ২০২১ বৰ্ষৰ জানুৱাৰীত আৰম্ভ কৰা কোভিড-১৯ৰ প্ৰতিষেধক প্ৰদান কাৰ্যসূচী সমগ্ৰ বিশ্বতে সফলৰূপে পৰিগণিত হৈছে। বিগত বৰ্ষৰ জানুৱাৰীত এই কাৰ্যসূচীৰ অধীনত ২২০ কোটিৰো অধিক প্ৰতিষেধক প্ৰদান কৰা হৈছে। ইয়াৰে ৯৭ শতাংশ যোগ্য হিতাধিকাৰীক  কমেও এপালি প্ৰতিষেধক প্ৰদান কৰাৰ বিপৰীতে ৯০ শতাংশক দুপালি প্ৰতিষেধক প্ৰদান কৰা হৈছে।

oooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্ট্জ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্ট্জৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী**  ফ'ল' কৰিব পাৰে।

oooooo

জম্মু-কাশ্মীৰৰ শ্ৰীনগৰ জিলাৰ জবৰৱান বনাঞ্চল আৰু বাৰামুলা জিলাৰ ছ'প'ৰত সন্ত্ৰাসবাদ বিৰোধী অভিযান চলি আছে। কাশ্মীৰ মণ্ডলৰ আৰক্ষী মুখপাত্ৰই কয়, যে শ্ৰীনগৰৰ উপকণ্ঠীয় জবৰৱান বনাঞ্চলত আজি পুৱা সুৰক্ষা বাহিনী আৰু সন্ত্ৰাসবাদীৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হয়। এই সংঘৰ্ষত এতিয়ালৈকে কোনো লোক হতাহত হোৱাৰ বাতৰি পোৱা হোৱা নাই। ইপিনে, সৈন্যবাহিনীৰ চিনাৰ ক'ৰৰ মুখপাত্ৰই বাৰামুলা জিলাৰ ৰাছপুৰা ছ'প'ৰ এলেকাত চলি থকা অভিযান কালি এটা অজ্ঞাত সন্ত্ৰাসবাদী নিহত হোৱা বুলি নিশ্চিত কৰিছে। অঞ্চলটোত তালাচী অভিযান এতিয়াও অব্যাহত আছে।

oooooo

ভাৰতৰ অনাহত সিঙে অষ্ট্ৰেলিয়াৰ ছিডনীত অনুষ্ঠিত নিউ ছাউথ ৱেল্ছ অ'পেন স্কোৱাছ প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ খিতাপ অৰ্জন কৰিছে। অনাহত সিঙে আজি পুৱা ফাইনেলত হংকঙৰ হেলেন টেঙক ১১-৬, ১১-৩, ১১-৪ ছেটত পৰাস্ত কৰে।

oooooo

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ চাৰিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি এবেখাত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত অনুষ্ঠিত হ'ব। ভাৰতে শুকুৰবাৰে অনুষ্ঠিত প্ৰথমখন খেলত ৬১ ৰানত জয়লাভ কৰি শৃংখলাত ১-০ ফলাফলত আগবাঢ়ি আছে। শৃংখলাৰ তৃতীয়খন খেল বুধবাৰে চেঞ্চুৰিয়ানত আৰু চতুৰ্থ তথা অন্তিমখন খেল শুকুৰবাৰে জোহান্সবাৰ্গত অনুষ্ঠিত হ'ব।

oooooo

মহিলাৰ এচিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতা কাইলৈ বিহাৰৰ ৰাজগীৰত আৰম্ভ হ'ব। মুখ্যমন্ত্ৰী নীতিশ কুমাৰে এই প্ৰতিযোগিতা উদ্বোধন কৰিব। প্ৰতিযোগিতাত ভাৰতসহ মুঠ ৬ খন দেশে অংশগ্ৰহণ কৰিব। ২০ নৱেম্বৰত সামৰণি পৰিবলগীয়া এই প্ৰতিযোগিতাত আটাইকেইখন খেল নৱনিৰ্মিত ৰাজগীৰ হকী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। প্ৰতিযোগতাত অংশগ্ৰহণ কৰাৰ বাবে ভাৰত, চীন, জাপান, মালয়েছিয়া, থাইলেণ্ড আৰু কোৰিয়াৰ দলকেইটা ইতিমধ্যে বুদ্ধগয়াত উপস্থিত হৈছে। কাইলৈ দিনৰ ১২ বাজি ১৫ মিনিটত হ'বলগীয়া প্ৰতিযোগিতাৰ প্ৰথমখন খেলত জাপান কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

oooooo

ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ বায়ুৰ গুণগত মান এতিয়াও শোচনীয় হৈ আছে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে প্ৰকাশ কৰা মতে আজি দুপৰীয়া ৰাষ্ট্ৰীয় ৰাজধানীত বায়ুৰ গুণগত মান এ কিউ আই সূচ্যাংক ৩৩৩ পোৱা গৈছে। দিল্লী চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থা সত্বেও চহৰখনত প্ৰদূষণ বৃদ্ধি পায়েই আছে।

oooooo

সমাপ্ত